# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-10-2024
**Time :** 0705 hrs

## *Assamese Morning Bulletin*
# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি দুদিনীয়া লাওচ ভ্ৰমণসূচীৰে  ভিয়েনটিয়েনত উপস্থিত হ'ব।

২। প্ৰসিদ্ধ উদ্যোগপতি তথা লোকহিতৈষী ৰতন টাটাৰ যোৱানিশা মুম্বাইত দেহাৱসান ঘটে। ৰাষ্ট্ৰপতি, উপ ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে ৰতন টাটাৰ বিয়োগত গভীৰ শোকপ্ৰকাশ কৰিছে।

৩। বিশ্বৰ বিভিন্ন অংশত আজি বিশ্ব মানসিক স্বাস্থ্য দিৱস পালন কৰা হৈছে।

৪। ভাৰতে মহিলাৰ আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ-এৰ এখন খেলত শ্ৰীলংকাক ৮২ ৰানত পৰাস্ত কৰিছে।

*আৰু*

৫। ভাৰতে যোৱানিশা নতুন দিল্লীত অনুষ্ঠিত তিনিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত বাংলাদেশক ৮৬ ৰানৰ ব্যৱধানত পৰাস্ত কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি দুদিনীয়া লাওচ ভ্ৰমণসূচীৰে  ভিয়েনটিয়েনত উপস্থিত হ'ব। নতুন দিল্লীত কালি এখন সংবাদমেল সম্বোধন কৰি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ প্ৰাচ্যৰ সচিব জয়দ্বীপ মজুমদাৰে কয় যে, এই ভ্ৰমণৰ কালছোৱাত শ্ৰীমোদীয়ে ২১ সংখ্যক আছিয়ান ভাৰত শীৰ্ষ সন্মিলন আৰু ১৯ সংখ্যক পূব এছিয়া শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰিব।

শ্ৰীমজুমদাৰে জনাই যে, প্ৰধানমন্ত্ৰীয়ে এইবাৰকে ধৰি এছিয়ান-ভাৰত শীৰ্ষ সন্মিলনত দশমবাৰৰ বাবে অংশগ্ৰহণ কৰিব। এই সন্দৰ্ভত বিদেশ মন্ত্ৰালয়ৰ প্ৰাচ্যৰ সচিবগৰাকীয়ে কয় -

*-বাইট-*

তেওঁ কয় যে প্ৰধানমন্ত্ৰী মোদীয়ে লাওচৰ প্ৰধানমন্ত্ৰী চনেক্সে চিফান্দনৰ আমন্ত্ৰণ মৰ্মে ভিয়েনটিয়েন ভ্ৰমণ কৰিব। শ্ৰীমজুমদাৰে লগতে কয় যে, শ্ৰীমোদীৰ লগতে আছিয়ান দেশসমূহৰ চৰকাৰী মুৰববীসকলে ভাৰত আৰু আছিয়ান দেশসমূহৰ মাজৰ সম্পৰ্ক আৰু উন্নয়নৰ বিষয়ে পৰ্যালোচনা কৰিব।

ooooo

প্ৰসিদ্ধ উদ্যোগপতি তথা লোকহিতৈষী ৰতন টাটাৰ যোৱানিশা মুম্বাইত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৬ বছৰ। তেওঁ যোৱা কিছুদিন ধৰি এখন ব্যক্তিগত হাস্পতালত চিকিৎসাধীন হৈ আছিল। টাটা ছন্সৰ অধ্যক্ষ এম চন্দ্ৰশেখৰনে এটা বিবৃতি যোগে ৰতন টাটাৰ মৃত্যুৰ কথা নিশ্চিত কৰিছে। প্ৰয়াত টাটাই ১৯৬২ চনত

টাটা গোটত যোগদান কৰিছিল। গোটৰ বিভিন্ন কোম্পানীত সেৰা আগবঢ়োৱাৰ পাছত তেওঁক ১৯৭১ চনত নেচনেল ৰেডিঅ' এণ্ড ইলেকট্ৰনিকছ কোম্পানী লিমিটেডৰ মুৰববী হিচাপে নিযুক্তি দিয়া হৈছিল। ১৯৮১ চনত তেওঁক টাটা ইণ্ডাষ্ট্ৰিজৰ অধ্যক্ষ হিচাপে নিয়োগ কৰা হৈছিল। তেওঁ ১৯৯১ চনৰ পৰা ২০১২ চনৰ ১২ ডিচেম্বৰ পৰ্যন্ত টাটা ছন্সৰ অধ্যক্ষ আছিল। ২০১২ চনৰ ২৯ ডিচেম্বৰত ৰতন টাটাক টাটা ছন্স, টাটা ইণ্ডাষ্ট্ৰিজ, টাটা মটৰছ, টাটা ষ্টিল আৰু টাটা কেমিকেলছৰ আজীৱন অধ্যক্ষৰ উপাধিৰে সন্মানিত কৰা হৈছিল। ভাৰতৰ সবাতোকৈ প্ৰসিদ্ধ উদ্যোগপতিসকলৰ অন্যতম ৰতন টাটাই ২ দশকৰো অধিক সময় ধৰি টাট ছন্সৰ অধ্যক্ষ হিচাপে কাম কৰিছিল। তেওঁ টাটা ন্যাসৰ জৰিয়তে লোকহিতৈষী অনেক কামত ভাগ লৈছিল। তেওঁক ২০০০ চনত পদ্মভূষণ আৰু ২০০৮ চনত পদ্মবিভূষণসহ অনেক সন্মানেৰে বিভূষিত কৰা হৈছিল।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰতন টাটাৰ বিয়োগত গভীৰ শোকপ্ৰকাশ কৰিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে সামাজিক মাধ্যম যোগে দিয়া এটা শোকবাৰ্তাত কৈছে যে, ৰতন টাটাৰ বিয়োগত দেশে উদ্যোগিক বিকাশত ৰাষ্ট্ৰ নিৰ্মাণ আৰু উৎকৃষ্টতাক নৈতিকতাৰ সৈতে সংযোজিত কৰা এগৰাকী মহান ব্যক্তিক হেৰুৱালে। তেওঁ কয় যে, ৰতন টাটাই টাটাৰ মহান ঐতিহ্যক আগুৱাই লৈ গৈছিল আৰু ইয়াক সমগ্ৰ বিশ্বত অধিক কাৰ্যকৰী কৰি তুলিছিল। ৰতন টাটাই ব্যৱসায়ী আৰু যুৱ বিদ্যাৰ্থীসকলক সমানেই অনুপ্ৰাণিত কৰি আহিছে বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে মন্তব্য কৰে।

উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে নিজৰ শোকবাৰ্তাত কয় যে, ৰতন টাটাৰ বিয়োগে তেওঁ ব্যথিত কৰি তুলিছে। তেওঁ কয় যে, ৰতন টাটা ভাৰতীয় উদ্যোগ জগতৰ মহান ব্যক্তি আছিল আৰু এখন আত্মনিৰ্ভৰ ভাৰতবৰ্ষ গঢ়ি তোলাৰ ক্ষেত্ৰত তেওঁ আগবঢ়োৱা অৱদান দেশ-বিদেশৰ উদ্যোগপতিসকলৰ বাবে সদায় অনুপ্ৰেৰণাৰ উৎস হৈ ৰ'ব।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যম যোগে কয় যে, ৰতন টাটাৰ মৃত্যুয়ে তেওঁক দুখিত কৰিছে। ৰতন টাটাৰ সৈতে হোৱা কথোপকথনৰ কথা স্মৰণ কৰি শ্ৰীমোদীয়ে কয় যে, তেওঁৰ দৃষ্টিভংগী অতিকে বিশাল আছিল। শ্ৰীমোদীয়ে কয় যে, ৰতন টাটাৰ কিবা এটা ডাঙৰ কৰা আৰু সমাজক ঘূৰাই দিয়াৰ অপাৰ আগ্ৰহ আছিল। টাটাই শিক্ষা, স্বাস্থ্যসেৱা, অনাময় আৰু পশুধনৰ কল্যাণৰ লেখীয়া ক্ষেত্ৰসমূহত অগ্ৰণী ভূমিকা পালন কৰি থৈ গৈছে বুলি শ্ৰীমোদীয়ে উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে, ৰতন টাটাই ভাৰতৰ সবাতোকৈ পুৰণি আৰু প্ৰতিষ্ঠিত ব্যৱসায়িক গোষ্ঠীক সুস্থিৰ নেতৃত্ব প্ৰদান কৰিছিল।

গৃহমন্ত্ৰী অমিত শ্বাহেও ৰতন টাটাৰ বিয়োগত গভীৰ শোকপ্ৰকাশ কৰিছে। শ্ৰীশ্বাহে সামাজিক মাধ্যম যোগে কৈছে যে, ৰতন টাটাই দেশৰ উন্নয়নৰ বাবে নিস্বাৰ্থভাৱে জীৱন উৎসৰ্গা কৰি থৈ গৈছে। গৃহমন্ত্ৰীগৰাকীয়ে কয় যে, তেওঁ যেতিয়াই টাটাক দেখা কৰিছিল তেতিয়াই তেওঁৰ মাজত দেশ আৰু জনসাধাৰণৰ উন্নয়নৰ বাবে কিবা এটা কৰাৰ উৎসাহ-উদ্দীপনা দেখা পাইছিল।

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে এটা শোকবাৰ্তাত কৈছে যে, ৰতন টাটা অৰ্থ ব্যৱস্থাৰ প্ৰতি আগবঢ়োৱা অৱদানৰ বাবে চিৰস্মৰণীয় হৈ ৰ'ব।

মহাৰাষ্ট্ৰ মুখ্যমন্ত্ৰী একনাথ সিন্দে, উপ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নবিছ আৰু অজিত পাৱাৰেও ৰতন টাটাৰ বিয়োগত গভীৰ শোকপ্ৰকাশ কৰিছে।

০০০০০

বিশ্বৰ বিভিন্ন অংশত আজি বিশ্ব মানসিক স্বাস্থ্য দিৱস পালন কৰা হৈছে। মানসিৰ স্বাস্থ্যৰ সৈতে বিষয় সম্পৰ্কে সজাগতা সৃষ্টিৰ লগতে বিশ্বত মানসিক স্বাস্থ্য সেৱাৰ প্ৰসাৰৰ উদ্দেশ্যে এই দিৱস পালন কৰা হয়। এইবেলি এই দিৱসৰ মূল বিষয়বস্তু হৈছে- **কৰ্মস্থলীত মানসিক স্বাস্থ্য।**

০০০০০

ৰাষ্ট্ৰীয় ই-গৰ্ভনেন্স বিভাগে নাগৰিকসকলক বিস্তৃত চৰকাৰী সেৱাৰ সুবিধা প্ৰদান কৰিবলৈ ডিজি লকাৰৰ সৈতে উমং এপ সংযুক্ত কৰাৰ কথা ঘোষণা কৰিছে। ইলেকট্ৰনিকছ্ আৰু আই টি মন্ত্ৰালয়ে কয় যে, এই সহযোগিতাই ব্যৱহাৰকাৰীসকলক একক প্লেটফৰ্মৰ জৰিয়তে একাধিক সেৱা পৰিচালনা কৰিবলৈ সুবিধা প্ৰদান কৰিব। মন্ত্ৰালয়ে আৰু কৈছে যে, সকলো এণ্ড্ৰইড ব্যৱহাৰকাৰীয়ে উমং এপটো ডিজি লকাৰ এপৰ জৰিয়তে লাভ কৰিব পাৰিব। মন্ত্ৰালয়ে কৈছে যে, ডিজি লকাৰ হৈছে ডিজিটেল ইণ্ডিয়া কাৰ্যসূচীৰ অধীনত অত্যাৱশ্যকীয় নথি পত্ৰৰ সুৰক্ষিত ক্লাউড বেছ্ সংৰক্ষণ প্ৰদান কৰা এটা ফ্লেগশ্বিপ পদক্ষেপ। উমং এপে কেন্দ্ৰীয়ৰ পৰা স্থানীয় সকলো সংস্থালৈকে ভাৰতীয় পান ই গভ সেৱাৰ বাবে একক মঞ্চ প্ৰদান কৰি আহিছে।

০০০০০

ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থা নিয়াই হিজবুট তাহৰি গোচৰৰ এজন অভিযুক্তক পুডুচেৰীৰ পৰা গ্ৰেপ্তাৰ কৰিছে। সংস্থাটোৱে জনোৱা মতে, নাকিব নামেৰে চিনাক্ত কৰা হিজবুট তাহৰিৰ ৰাজ্যিক মুৰববী ফাইজুল ৰহমানক গ্ৰেপ্তাৰ কৰা হৈছে। সংস্থাটোৱে কৈছে যে, হিজবুট তাহৰিৰ কৰ্মী হামিদ হুছেইনে আন একাংশৰ সহযোগত  চেন্নাইত দলৰ জাতীয় বিৰোধী মতামত প্ৰচাৰ কৰি বিচ্ছিন্নতাবাদী মতাদৰ্শ বিয়পাইছিল। নিয়াই কৈছে যে, ফাইজুল ৰহমানে দলটোৰ আদৰ্শ প্ৰচাৰৰ উদ্দেশ্যে তামিলনাডুৰ কেইবাখনো ঠাইত একে মতাদৰ্শৰ বহু মানুহৰ মাজত কেইবাখনো গোপন বৈঠক অনুষ্ঠিত কৰি বিভাজনমূলক অভিযানৰ নেতৃত্ব দিছিল। এই গোচৰত গ্ৰেপ্তাৰ কৰা ফাইজুল ৰহমান হৈছে সপ্তমজন কৰ্মী। চলিত বৰ্ষৰ ছেপ্তেম্বৰ মাহত নিৰ্বাচনৰ বিৰুদ্ধে প্ৰচাৰ চলোৱা আৰু ভাৰতত ইছলামিক শাসন স্থাপনৰ ষড়যন্ত্ৰ কৰা হিজবুট তাহৰিৰ সৈতে জড়িত এটা গোচৰৰ বাবে তামিলনাডুৰ একাধিক স্থানত অভিযান চলোৱা হৈছিল।

০০০০০

৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া অহা বছৰ ২৮ জানুৱাৰীৰ পৰা ১৪ ফেব্ৰুৱাৰীলৈ উত্তৰাখণ্ডত অনুষ্ঠিত হ'ব। ভাৰতীয় অলিম্পিক সংস্থাই চলিত মাহৰ ২৫ তাৰিখে ৰাষ্ট্ৰীয় ক্ৰীড়াৰ বাবে সম্পূৰ্ণ কাৰ্যসূচী গ্ৰহণ কৰিব। ৰাষ্ট্ৰীয় ক্ৰীড়াৰ উপৰিও উত্তৰাখণ্ডে শীতকালীন ৰাষ্ট্ৰীয় ক্ৰীড়াও অনুষ্ঠিত কৰিব।

নতুন দিল্লীত অনুষ্ঠিত এখন বৈঠকত উত্তৰাখণ্ডৰ মুখ্যমন্ত্ৰী পুষ্কৰ সিং ধামিয়ে ভাৰতীয় অলিম্পিক সংস্থাৰ সভাপতি প্ৰীতি ঊষাক সাক্ষাৎ কৰে। এই সাক্ষাৎকালত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, উত্তৰাখণ্ডে ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া অনুষ্ঠিত কৰিবলৈ সম্পূৰ্ণ ৰূপে প্ৰস্তুত। তেওঁ খেলুৱৈ আৰু দৰ্শকসকলক সম্পূৰ্ণ সুবিধা প্ৰদান কৰিব বুলিও প্ৰতিশ্ৰুতি দিয়ে।

০০০০০

ভাৰতে যোৱানিশা ডুবাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত মহিলাৰ আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰু-এৰ এখন খেলত শ্ৰীলংকাক ৮২ ৰানত পৰাস্ত কৰে। ৰানৰ দিশৰ পৰা মহিলা টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ইতিহাসত ভাৰতৰ এয়া সৰ্ববৃহৎ জয়। ভাৰত কালি জয়ৰ সুবাদত প্ৰতিযোগিতাৰ

পইণ্ট তালিকাত ৰান ৰেটৰ আধাৰত পাকিস্তান আৰু নিউজিলেণ্ডক চেৰ পেলাবলৈ সক্ষম হৈছে। ভাৰতে খেলখনত প্ৰথমে বেট ধৰি হৰমনপ্ৰীত কৌৰ আৰু স্মৃতি মান্ধানাৰ অৰ্ধ শতকৰ সহায়ত ১৭২ ৰান কৰে। স্মৃতি মান্ধানাই ৫০ ৰান কৰাৰ বিপৰীতে হৰমনপ্ৰীত কৌৰে ৫২ ৰান কৰি আউট নোহোৱাকৈ থাকে। প্ৰত্যুত্তৰত শ্ৰীলংকাই ১৯ অভাৰ আৰু ৫টা বলত আটাইকেইটা উইকেট হেৰুৱাই ৯০ ৰান কৰিবলৈ সমৰ্থ হয়। হৰমনপ্ৰীত কৌৰক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়। প্ৰতিযোগিতাত আজি শ্বাৰজাহত হ'বলগীয়া গ্ৰুপ-বিৰ এখন খেলত বাংলাদেশ ৱেষ্ট ইণ্ডিজৰ সন্মুখীন হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ooooo

ভাৰতে যোৱানিশা নতুন দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত অনুষ্ঠিত তিনিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত বাংলাদেশক ৮৬ ৰানৰ ব্যৱধানত পৰাস্ত কৰি শৃংখলাত অপ্ৰতিৰোধ্য অগ্ৰগতি লাভ কৰে। বাংলাদেশে ২২২ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৯টা উইকেটৰ বিনিময়ত ১৩৫ ৰানহে কৰিবলৈ সমৰ্থ হয়।

ooooo

**সমাপ্ত**